**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-05-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

———————————

ৰাজ্যই ২০২৪-২৫ খাৰিফ বিপনন বৰ্ষত কৃষকৰ পৰা প্ৰায় ৫ লাখ মেট্ৰিকটন ধান ক্ৰয় কৰি বৃহৎ মাইলৰ খুটি স্পৰ্শ কৰিছে। ইয়াৰ বাবদ ৪০ হাজাৰতকৈও অধিক কৃষকৰ বেংক একাউণ্টলৈ এহেজাৰ ১৮০ কোটিতকৈও অধিক ধনৰাশি পোনপতীয়াকৈ হস্তান্তৰ কৰা হৈছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰে। জুন মাহৰ আগতে ধান ক্ৰয়ৰ ক্ষেত্ৰত এশ শতাংশ সফল হ'ব পৰা যাব বুলি তেওঁ আশা প্ৰকাশ কৰে।

000000

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে পৰিষদৰ অধীনৰ সকলো বিদ্যালয়ত ২০২৫-২৬ শৈক্ষিক বৰ্ষৰ বাবে একাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তিৰ পঞ্জীয়ন আজিৰ পৰা ২৪ মে'লৈ পুনৰ মুকলি কৰা হ'ব বুলি ঘোষণা কৰিছে। এই অনলাইন পঞ্জীয়ন ১৫ মে'ত বন্ধ কৰি দিয়া হৈছিল। পৰিষদে নিৰ্দেশনাৰ জৰিয়তে ধন আদায় দিয়াৰ শেষ তাৰিখ ২৮ মে'লৈ আৰু চূড়ান্ত তালিকা প্ৰকাশৰ তাৰিখ ৩১ মে'লৈ বৃদ্ধি কৰা বুলি প্ৰকাশ কৰিছে।

000000

ৰাজ্য চৰকাৰেৰ এখন অধিসূচনা যোগে ২০২৫-২৬ শিক্ষাবৰ্ষত পেৰামেডিকেল ডিগ্ৰী আৰু ডিপ্লমা পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে প্ৰৱেশিকা পৰীক্ষাৰ তাৰিখ ঘোষণা কৰিছে। গুৱাহাটী, ডিব্ৰুগড়, শিলচৰ, যোৰহাট, বৰপেটা, তেজপুৰ, ডিফু, লখিমপুৰ, নগাওঁ, কোকৰাঝাৰ, নলবাৰী, ধুবুৰীৰ পৰীক্ষাকেন্দ্ৰসমূহত অহা ৬ জুলাইত প্ৰৱেশিকা পৰীক্ষা অনুষ্ঠিত হ'ব। প্ৰৱেশিকা পৰীক্ষাৰ প্ৰৱেশ পত্ৰ অনলাইনযোগে ২৫ জুন তাৰিখৰ পৰা শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়ৰ ৱেৱছাইটত উপলব্ধ হ'ব। উল্লেখযোগ্য যে ৰাজ্যৰ চৰকাৰী তথা বেচৰকাৰী সকলো শিক্ষানুষ্ঠানত পেৰামেডিকেল পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে এই প্ৰৱেশ পৰীক্ষাত উত্তীৰ্ণ হোৱাটো জৰুৰী।

000000

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে ২০২৫-২৬ শিক্ষাবৰ্ষৰ বাবে নৱম শ্ৰেণীৰ পঞ্জীয়নৰ সময়সীমা ২৪ মে'লৈ বৃদ্ধি কৰাৰ কথা ঘোষণা কৰিছে। এই সন্দৰ্ভত পৰিষদৰ সচিবে জাৰি কৰা নিৰ্দেশনা অনুসৰি নৱম শ্ৰেণীৰ অনলাইন পঞ্জীয়ন প্ৰক্ৰিয়া আজিৰ পৰা ২৪ মে'লৈ মুকলি থাকিব আৰু বিদ্যালয়সমূহে ২৮ মে' পৰ্যন্ত যাৱতীয় মাচুল পৰিশোধ কৰিব পাৰিব। সেই অনুসৰি সকলো বিদ্যালয়ক নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত পঞ্জীয়ন প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

000000

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান পৰ্যটকৰ বাবে কাইলৈৰ পৰা বন্ধ হ'ব। ৰাষ্ট্ৰীয় উদ্যানখনত ২০২৪-২৫ পৰ্যটন বৰ্ষৰ অন্ত পৰিব। ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই যোৱা ১ মে'ত হাতী চাফাৰী বন্ধ কৰিছিল। হাতী চাফাৰী বন্ধ

হোৱাৰ পাছত পৰ্যটকৰ বাবে উদ্যানখনত জীপ চাফাৰী উপলব্ধ আছিল। ২০২৪-২৫ পৰ্যটন বৰ্যত প্ৰায় ৫ লক্ষ পৰ্যটকে কাজিৰঙা দৰ্শন কৰাৰ লগতে ১০ কোটিৰো অধিক ৰাজহ সংগ্ৰহ কৰিবলৈ উদ্যান কৰ্তৃপক্ষ সমৰ্থ হৈছে। এই পৰ্যটন বৰ্যটো কাজিৰঙাৰ বাবে উল্লেখযোগ্য বৰ্ষ বুলি উদ্যান কৰ্তৃপক্ষই প্ৰকাশ কৰিছে।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ সংবাদ চলন্তিকাত অৱসৰপ্ৰাপ্ত ব্ৰিগেডিয়াৰ বলেন গোস্বামীৰ সৈতে কথোপকথন প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটোৰ পৰিকল্পনা, উপস্থাপন আৰু প্ৰযোজনা ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০

শিৱসাগৰৰ দিচাংমুখ লিগিৰীবাৰীত কালিৰে পৰা ৪৫ দিনীয়া কাৰ্যসূচীৰে হস্ততাত বস্ত্ৰশিল্পৰ প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হৈছে। কেন্দ্ৰীয় চৰকাৰৰ বস্ত্ৰ মন্ত্ৰনালয়ৰ অধীনৰ লাহদৈগড়ৰ কেন্দ্ৰীয় মূগা-এৰী গৱেষণা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ উদ্যোগত আৰু শিৱসাগৰৰ এৰী-মূগা কৃষক উৎপাদক কোম্পানীৰ সহযোগত এই প্ৰশিক্ষণ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই প্ৰশিক্ষণ কাৰ্যসূচীৰ অধীনত অঞ্চলটোৰ ২৯ গৰাকী শিপিনীক হস্ততাঁত বস্ত্ৰশিল্পৰ বয়ন, প্ৰাকৃতিক ৰঙৰ ব্যৱহাৰ আৰু চানেকি প্ৰস্তুতকৰণকে ধৰি বিভিন্ন বিষয়ৰ প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। সমল ব্যক্তি হিচাপে ৰবিনা গাম আৰু জ্ঞান টায়ে প্ৰশিক্ষণত অংশগ্ৰহণ কৰিব।

০০০০০০

ডিব্ৰুগড় চহৰৰ মাজমজিয়াত থকা চৌকিদিঙি খেলপথাৰত চলি থকা উন্নীতকৰণৰ কাম তথা ক্ৰীড়া আন্তঃগাঁথনি নিৰ্মাণৰ পৰিপ্ৰেক্ষিতত পৰৱৰ্ত্তী তিনি মাহলৈ খেলপথাৰখনত সকলো ধৰণৰ অনুষ্ঠান, মেলা আদিৰ উপৰি যিকোনো ৰাজহুৱা বা ব্যক্তিগত সমাবেশ নিষিদ্ধ কৰা হৈছে। পৰৱৰ্ত্তী নিৰ্দেশ নিদিয়া পৰ্যন্ত এই নিষেধাজ্ঞা বাহাল থাকিব বুলি জিলা প্ৰশাসনে জাৰি কৰা নিৰ্দেশনাত প্ৰকাশ কৰা হৈছে।

০০০০০০

ৰাজ্যৰ প্ৰতিভাবান খেলুৱৈ ৰুণজুন পেগুৱে ইণ্ডিয়া গ্ৰাঁ পি 2 ত মহিলাৰ জেভলিন থ্ৰ'ৰ ফাইনেলত সোণৰ পদক অৰ্জন কৰিছে। কেৰালাৰ ত্ৰিবান্দমত এল এন চি পি ই-ত কালি অনুষ্ঠিত প্ৰতিযোগিতাৰ ফাইনেলত ৰুণজুনে ৪২ দশমিক ৯ - ৬ মিটাৰলৈ জেভলিন নিক্ষেপ কৰি সোণৰ পদক জয় কৰে।

০০০০০০

যোৰহাট জিলা দবা সন্থাৰ সোণালী জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি অসম কৃষি বিশ্ববিদ্যালয় ইন্দোৰ ষ্টেডিয়ামত দবা প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। সদৌ অসম আন্তঃজিলা ভিত্তিত ৭, ৯ আৰু ১১ বছৰ অনুৰ্ধৰ তিনিটা শাখাত এই প্ৰতিযোগিতাখন পূৰ্ণগতিত চলি আছে। ৰাজ্যৰ বিভিন্ন জিলাত ৩৫০ গৰাকী প্ৰতিযোগীয়ে যোগদান কৰা প্ৰতিযোগিতাখনৰ দ্বিতীয় দিনা পঞ্চম ৰাউণ্ডৰ খেল সম্পূৰ্ণ হৈছে। প্ৰতিযোগিতাখনৰ বাকী থকা ৰাউণ্ডৰ খেল আজি অনুষ্ঠিত হ'ব আৰু বিয়লিৰ ভাগলৈ বঁটা বিতৰণী অনুষ্ঠান অনুষ্ঠিত হ'ব।

০০০০০০

সমাপ্ত